

২.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১। স্নাতক মহলাৰ লোক প্ৰশাসন — ড° কৃপেশচন্দ্ৰ পাল, অধ্যাপক প্ৰতুল চন্দ্ৰ নায়ক।

২। স্নাতক লোক প্ৰশাসন — ড° নিৰু হাজৰিকা।

৩। লোক প্ৰশাসন পৰিচয় — পুৰন্দৰ গগৈ।

ইংৰাজী গ্ৰন্থ ঃ

1) Avasthi, Amreswar, & Avasthi, Anand Prakash (1999).*Indian Administration.* Agra:Lakshmi Narain Agarwal.

2) Bhagwan, Vishnoo, & Bhushan, Vidya.(2007). *Public Administration*. New Delhi:S.Chand & Company Ltd.

3) Maheshwari, S.R. (2003). *Indian Administration*. New Delhi:Orient Longman.

4) Sharma, Dr.M.P. , & Sadana, Dr.B.L. (2000). *Public Administration in Theory and Practice.* Allahabad: Kitab Mahal.

২.৬ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) সংহত প্ৰশাসন ব্যৱস্থা ঃ- ৰাষ্ট্ৰপতি কেন্দ্ৰীয় চৰকাৰৰ কাৰ্যবাহী (Executive) মুৰব্বী হোৱা বাবে ভাৰতীয় প্ৰশাসন ব্যৱস্থাটোক সংহত আখ্যা দিয়া হয়। চৰকাৰৰ প্ৰতিটো বিভাগ একোজন সচিবৰ অধীনত আৰু প্ৰতিটো মন্ত্ৰীত্বৰ বিভাগ একোজন মন্ত্ৰীৰ অধীনত পৰিচালিত হয়। মন্ত্ৰীসকলৰ ওপৰত কেবিনেট আৰু প্ৰধানমন্ত্ৰী থাকে। এনে সংহত ব্যৱস্থাৰ মূল উদ্দেশ্য হ'ল প্ৰশাসনত যথাসম্ভৱ মিলাপ্ৰীতি আৰু সহযোগিতাৰ পৰিৱেশ বৰ্তাই ৰখা।

(খ) উন্নয়নকামী প্ৰশাসন ঃ- ভাৰতীয় প্ৰশাসন ব্যৱস্থাটোৱে সামাজিক পৰিৱৰ্তনৰ লগতে সমাজৰ অৰ্থনৈতিক আৰু ৰাজনৈতিক দৃশ্যপটৰ পৰিৱৰ্তন সাধন কৰি উন্নয়নৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত দায়বদ্ধতাৰ পৰিচয় দিছে। ই ভাৰতৰ প্ৰশাসন ব্যৱস্থাটোৰ এটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য। উন্নয়নৰ বাবে দায়বদ্ধ এই প্ৰশাসনীয় ব্যৱস্থাটো পৰিৱৰ্তনকামী আৰু কল্যাণকামী। ইয়াৰ বাবে জনসম্পৰ্ক ৰক্ষাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে আৰু প্ৰশাসন যন্ত্ৰটোৱে জনসম্পৰ্ক স্থাপনৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। উন্নয়নৰ এই সমগ্ৰ প্ৰক্ৰিয়াটো আঁচনি গ্ৰহণ, পৰিকল্পনা আৰু